নিৰ্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত ▢ যোৰহাট সংস্কৰণ ▢ মুঠ পৃষ্ঠা ১২

১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ চতুৰ্দশ বছৰ সংখ্যা ৩৩২ দেওবাৰ ১ কাতি ১৯৪৭ শক ১৯ অক্টোবৰ ২০২৫ চন ASOMIYA KHABAR JORHAT S



কাহিলিপাৰাৰ বাসগৃহ-জে

জ্যুজুৰি প্ৰ

মহীয়া শ্ৰ



# কানৈ মহাবিদ্যালয়ৰ ‘এণ্টি ৰেগিং কোষ’ৰ প্ৰতিযোগিতা অনুষ্ঠিত

ষ্টাফ্ ৰিপ’ৰ্টাৰ, ডিব্ৰুগড়, ১৮ অক্টোবৰ ঃ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ‘এণ্টি ৰেগিং কোষে মহাবিদ্যালয়খন ৰেগিং শূন্য কৰি ৰখাত বিশেষ ভূমিকা পালন কৰি আহিছে। প্ৰতি বছৰে মহাবিদ্যালয়খনত ৰেগিং বিৰোধী সজাগতা সভা অনুষ্ঠিত কৰাৰ উপৰি এণ্টি ৰেগিং সপ্তাহ পালন কৰি আহিছে। এই পৰিপ্ৰেক্ষিতত শ্ল’গান লেখন, পোষ্টাৰ অংকন প্ৰতিযোগিতাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে বাটৰ নাট প্ৰদৰ্শন কৰি আহিছে। শেহতীয়াভাৱে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপক তথা ‘বিদ্যা দ্যা লিভিং স্কুল’ৰ প্ৰতিষ্ঠাপক ড° প্ৰাঞ্জল বুঢ়াগোহাঁয়ে ‘কৃতজ্ঞতা’ শীৰ্ষক বক্তৃতা প্ৰদান কৰে। অনলাইন শ্ল’গান লেখন আৰু পোষ্টাৰ অংকন প্ৰতিযোগিতাৰ বঁটা বিতৰণী অনুষ্ঠানত বিজয়ীসকলক বঁটা প্ৰদান কৰি আজি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই ছাত্ৰ-ছাত্ৰীসকলৰ মাজত লুকাই থকা সুপ্ত প্ৰতিভাক জাগ্ৰত কৰিবৰ বাবে এণ্টি ৰেগিং কোষে গ্ৰহণ কৰা পদক্ষেপৰ প্ৰশংসা কৰাৰ লগতে বিজয়ী ছাত্ৰ-ছাত্ৰীসকলক শুভেচ্ছা জ্ঞাপন কৰে আৰু অনাগত দিনত আৰু অধিক আগুৱাই যোৱাৰ বাবে আশীৰ্বাদ প্ৰদান কৰে। অধ্যক্ষগৰাকীয়ে লগতে ছাত্ৰ-ছাত্ৰীসকলক ৰেগিঙৰ দৰে সামাজিক ব্যাধিত আক্ৰান্ত নহৈ সমাজৰ বিভিন্ন গঠনমূলক কামত ব্ৰতী হৈ বিশ্বত নিজৰ লগতে দেশৰ নাম আগুৱাই নিবলৈ আহ্বান জনায়। বঁটা প্ৰদান অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে সাংবাদিক মনজিত বৰা। অনুষ্ঠানত মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° পাৰ্থ গাংগুলী, এণ্টি ৰেগিং কোষৰ অধ্যক্ষ ড° মৰমী তালুকদাৰ, শৈক্ষিক পৰিষদৰ সদস্য-সচিব ড° জ্যোতি প্ৰসাদ ফুকন, এণ্টি ৰেগিং কোষৰ সদস্য অধ্যাপক ৰাজীৱ লোচন বৰাকে প্ৰমুখ্য কৰি ভালেকেইজন অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। অনলাইন মাধ্যমত অনুষ্ঠিত বহুসংখ্যক প্ৰতিযোগীৰ মাজত নৃতত্ত্ব বিভাগৰ জিজ্ঞাসা কোঁচে সৃজনীমূলক পোষ্টাৰ অংকনত বিশেষ বঁটা, শ্ল’গান লেখন প্ৰতিযোগিতাত উদ্ভিদ বিজ্ঞান বিভাগৰ তুষাৰ ঘৰফলীয়াই প্ৰথম, দৰ্শন বিভাগৰ বন্দিতা পাদুনে দ্বিতীয়, ৰসায়ন বিজ্ঞান বিভাগৰ নন্দিতা দাস আৰু ইংৰাজী বিভাগৰ অংশুমান গগৈয়ে যুটীয়াভাৱে তৃতীয় পুৰস্কাৰ লাভ কৰে।

বাক্সাত

বিৰুদ্ধে

আমাৰ খবৰ, নাজিৰা, ১৮ অক্টোবৰ ঃ জ
প্ৰাণৰ শিল্পী, যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰ’ৰ জুবিন
ৰহস্যজনক মৃত্যুৰ গোচৰৰ দুই মূল অভি
শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাস
অভিযুক্তক লৈ যোৱাৰ সময়ত বাক্সা
কাৰাগাৰৰ সন্মুখত পৰহি সংঘটিত হিংস
ঘটনা তথা অসম আৰক্ষীয়ে প্ৰাণৰ শিল্পী
অনুৰাগীৰ ওপৰত চলোৱা আক্ৰমণৰ সন্দ
অসম বিধানসভাৰ বিৰোধী দলপতি দে
শইকীয়াই ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়ে
আনুষ্ঠানিকভাৱে অভিযোগ দাখিল কৰি

কাজিৰঙাত

পৰ্যটকৰ ব

আমাৰ খবৰ, বোকাখাত, ১৮ অক্টোবৰ
কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ অগৰাতলি
প্ৰৱেশদ্বাৰ দেশী-বিদেশী পৰ্যটকৰ বাবে মু
হয়। মুকলিৰ পূৰ্বে কাজিৰঙা লোকসভ
সাংসদ কামাখ্যা প্ৰসাদ তাচা, বোকাখা
বিধায়ক তথা মন্ত্ৰী অতুল বৰা, কাজিৰ
উদ্যানৰ ক্ষেত্ৰ সঞ্চালক ড° সোণালী
অগৰাতলি জীপ চাফাৰি সন্থা আদিৰ স
বোকাখাতৰ প্ৰকৃতিপ্ৰেমী স্বেচ্ছাসেৱী সংগ